**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নগৰাঞ্চলৰ সুপৰিকল্পিত আৰু দ্ৰুত বিকাশৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে **১০ চহৰ এক ৰূপায়ণ** শীৰ্ষক এটা প্ৰকল্পৰ ব্যৱস্থা কৰা হৈছে। অসমৰ ১০ খন আগশাৰীৰ চহৰৰ উপযুক্ত নগৰ পৰিকল্পনা, গোটা আৱৰ্জনা ব্যৱস্থাপনা, নিয়মীয়া পানীযোগান, ৰাজহুৱা আন্তঃগাঁথনি, যান-বাহন ব্যৱস্থাপনা, ষ্ট্ৰিটলাইট আৰু ডিজিটেল তথা অনলাইন সেৱাৰ কাম-কাজ সুচাৰুৰূপে ৰূপায়ণ কৰাই হৈছে এই প্ৰকল্পৰ মূল লক্ষ্য। এই প্ৰকল্পৰ বাবে নিৰ্বাচিত হোৱা চহৰসমূহৰ ভিতৰত ডিব্ৰুগড় চহৰো অন্তৰ্ভুক্ত হৈছে। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি এই সংক্ৰান্তীয় এখন সভা অনুষ্ঠিত হয়। প্ৰকল্পটোৰ অধীনত ডিব্ৰুগড় পৌৰনিগমৰ অধীনস্থ এলেকাৰ বাবে নিৰ্ধাৰণ কৰা পৰিকল্পনা চূড়ান্ত কৰাৰ উদ্দেশ্যে সভাত আলোচনা কৰা হয়। সভাত পৌৰ নিগমৰ আয়ুক্ত, কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি সংশ্লিষ্ট অন্যান্য বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০

২০০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ অসমৰ চাহৰ ঐতিহ্য অধ্যয়ন কৰাৰ লক্ষ্যৰে দক্ষিণ কোৰিয়াৰ ২৪ জনীয়া প্ৰতিনিধিৰ দল কালি যোৰহাটত উপস্থিত হৈছে। দলটোৱে মেলেং চাহ বাগিচাত পাত তোলাৰ পৰা প্ৰসংস্কৰণলৈকে সমগ্ৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰে। এনে অধ্যয়নমূলক ভ্ৰমণে চাহৰ বিশ্বজনীন সম্ভাৱনীয়তাক অধিক প্ৰসাৰিত কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মাজত কালি **কালচাৰেল মেপিং অৱ আৰ্ট এণ্ড এথনিছিটি অৱ আচাম** বিষয়ক এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ অধীনত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মাজত কলা, সংস্কৃতি আৰু গৱেষণামূলক তথ্যৰ আদান-প্ৰদানৰ অভিলাষী লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য নিৰোদ বৰুৱা, কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰকে ধৰি ভালেকেইগৰাকী ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পুজাৰী, বিশিষ্ট অভিনেতা তপন দাস আৰু পুৰাতত্ব সঞ্চালকালয়ৰ সঞ্চালক ডঃ দিপিৰেখা কুলীক মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অনুশীলন অধ্যাপক হিচাপে আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰা হয়।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কালি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি ৰাজ্যৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই প্ৰকল্পসমূহৰ

কাম সময়মতে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সহযোগিতা কামনা কৰে। শ্ৰীগাডকাৰীয়ে প্ৰকল্পসমূহৰ কাম নিৰ্ধাৰিত সময়ত আৰু দক্ষতাৰে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সহায়-সহযোগিতাৰ আশ্বাস দিয়ে। তেওঁ লগতে এই প্ৰকল্পসমূহে আঞ্চলিক যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰা তথা বাণিজ্য পথসমূহৰ সম্প্ৰসাৰণৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াকো সাক্ষাৎ কৰে। তেওঁলোকে পুঁজি হস্তান্তৰ সন্দৰ্ভত অসমৰ অন্যান্য দিশ সন্দৰ্ভত আলোচনা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বিহাৰৰ কেবিনেট মন্ত্ৰী অশোক চৌধুৰী, লাইফ কেয়াৰ লিমিটেডৰ অধ্যক্ষ জয়েশ ছাইনি তথা আই চি আই চি আই ফাউণ্ডেছন আৰু আই চি আই চি আই বেংকৰ প্ৰতিনিধিসকলৰ সৈতেও ৰাজ্যখনৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে।

০০০০০০

গ্ৰীষ্মবন্ধৰ সময়ত কোনো ধৰণৰ বাধ্যতামূলক শ্ৰেণীৰ বাবে বিদ্যালয় শিক্ষা বিভাগ বা সমগ্ৰ শিক্ষা অভিযানে কোনো নিৰ্দেশনা জাৰি কৰা নাই বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি প্ৰকাশ কৰে। অৱশ্যে বিদ্যালয় পৰিচালনা সমিতি আৰু বিদ্যালয় পৰিচালনা তথা উন্নয়ন সমিতিক গ্ৰীষ্মকালিন বন্ধৰ সময়ত স্বেচ্ছাই আগ্ৰহী শিক্ষকৰ জৰিয়তে পৰিপূৰক শ্ৰেণীৰ পাঠদান আৰু বিনোদনমূলক সহ পাঠ্যক্ৰমৰ কাৰ্যকলাপ অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ দিয়া হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। পূৰ্বেও বিদ্যালয়সমূহে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি বনাঞ্চলৰ পৰা অবৈধভাৱে কাঠ সৰবৰাহ কৰা দুখন বাহন কালি বন বিভাগে জব্দ কৰে। বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ নিৰ্মাণৰ অচিলা লৈ একাংশ লোকে অবৈধভাৱে এই কাঠখিনি সৰবৰাহৰ চেষ্টা কৰিছিল। বন বিভাগে লংকা অভিমুখে গৈ থকা অৱস্থাত কাঠভৰ্তি বাহন দুখন জব্দ কৰিবলৈ সমৰ্থ হয়।

০০০০০০

গোলাঘাটত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাহনলৈ বটল নিক্ষেপ কৰা ঘটনা সন্দৰ্ভত এতিয়ালৈ ৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ঘটনা সন্দৰ্ভত ৰাহুল ফুকনক জেললৈ প্ৰেৰণ কৰাৰ লগতে মূল অভিযুক্ত দীপাংকৰ ডেকা, ঋষিৰাজ বাৰতিয়াল, প্ৰাণ হৰি ফুকন, পংকজ গগৈ আৰু অৰিন্দম বৰিক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জিলাখনৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে কালি এখন সংবাদমেলত প্ৰকাশ কৰিছে।

০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি ৰাজ্যৰ মথাউৰিসমূহৰ ৩৩১টা দুৰ্বল স্থান ক্ষিপ্ৰতাৰে মেৰামতি কৰিবলৈ বিভাগৰ অভিযন্তা বিষয়া-বৰ্গক কঠোৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয়, যে ৰাজ্য চৰকাৰে বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে আধুনিক প্ৰযুক্তিৰে নতুন মথাউৰি নিৰ্মাণ কৰি প্ৰতিৰোধী কাম অব্যাহত ৰাখিছে। মন্ত্ৰী শ্ৰী হাজৰিকাই কালি জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে জনতা ভৱনত এখন বৈঠকত মিলিত হৈ এই প্ৰতিৰোধী ব্যৱস্থা সন্দৰ্ভত বুজ লয়। প্ৰতিখন জিলাৰ অভিযন্তাসকলে এই বৈঠকত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে।

মন্ত্ৰীগৰাকীয়ে বৈঠকত ৰাজ্যৰ বান, খহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে চলি থকা প্ৰকল্পসমূহৰ বৰ্তমানৰ স্থিতি, অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। প্ৰত্যেকখন জিলালৈ পৰ্যাপ্ত সামগ্ৰী প্ৰেৰণৰ ক্ষেত্ৰতো তেওঁ বৈঠকত গুৰুত্ব আৰোপ কৰে। তেওঁ চৰকাৰী আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী ধনৰ যাতে অপচয় নহয়, সেই দিশত সজাগ হ'বলৈ বিষয়াসকলক আহ্বান জনায়। বৈঠকখনত জলসম্পদ বিভাগৰ মুখ্য সচিব চৈয়দ্দিন আববাছি, মুখ্য অভিযন্তা ভাস্কৰ শৰ্মা সহ অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

oooooo

সমাপ্ত